Total number of printed pages–3

**14 (ASM-I) 1036**

# 2016

# ASSAMESE

Paper : 1036

***(Study and Culture in Assam)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) কৃষ্টি আৰু সংস্কৃতিৰ পাৰ্থক্য বিচাৰ কৰি অৰ্থ আৰু তাৎপৰ্য্যৰ ফালিৰ পৰা সংস্কৃতিৰ বিভিন্ন মাত্ৰা বা আয়তন (Dimension) সম্বন্ধে *এটি* আলোচনা আগবঢ়োৱা। ৫+১০=১৫

*অথবা*

(খ) "অসমীয়া সংস্কৃতিৰ সংযুতি আৰু সমৃদ্ধিত মূলতঃ অসমীয়া ভাষায়ে যোগসূত্ৰৰ ভূমিকা লৈছে যদিও কেৱল অসমীয়া মাতৃভাষী সকলৰ সংস্কৃতিয়েই অসমীয়া সংস্কৃতি নহয়।" — কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰি *এটি* নিবন্ধ যুগুত কৰা। ১৫

Contd.

২। (ক) অসমৰ স্থাপত্য-ভাস্কৰ্য্য, শিলালিপি আৰু তাম্ৰলিপি সমূহে পুৰণি অসমৰ সংস্কৃতি অধ্যয়নৰ আহিলা হিচাপে কি কি দিশত কেনেদৰে সহায় কৰিব পাৰে বিচাৰ কৰি *এটি* আলোচনা আগবঢ়োৱা। ১৫

*অথবা*

(খ) পুৰণি অসমৰ ধৰ্মমতত শৈৱ আৰু শাক্ত পৰম্পৰাৰ স্থান কেনেকুৱা? এই ক্ষেত্ৰত বানীকান্ত কাকতিয়ে আগবঢ়োৱা বিশ্লেষণ ৰাজি বিচাৰ কৰি *এটি* নিবন্ধ যুগুত কৰা।

৫+১০=১৫

৩। (ক) "অসমৰ নৱবৈষ্ণৱ আন্দোলনে অসমীয়া সংস্কৃতিত পৰিশোধন, পৰিশীলন আৰু পৰিমাৰ্জনেৰে এক উত্তৰণৰ অধ্যায় সূচনা কৰে।" — যথাযথ উদাহৰণেৰে কথাষাৰ আলোচনা কৰা। ১৫

*অথবা*

(খ) "মহাভাৰতীয় সম্পৰ্ক স্থাপনেৰে অসমীয়া সংস্কৃতিৰ পৰিবৰ্দ্ধনত মধ্যযুগীয় অসমীয়া সাহিত্য-সঙ্গীত আৰু চিত্ৰকলাৰ এক বিশেষ ভূমিকা পৰিলক্ষিত হয়।" উদাহৰণেৰে সৈতে কথাষাৰ বহলাই আলোচনা কৰা।

৫+৫+৫=১৫

৪। (ক) উনবিংশ শতিকাৰ পৰা অসমীয়া সংস্কৃতিত সংঘটিত উত্থান-পতন আৰু পৰিবৰ্তনৰ দিশসমূহ আলোচনা কৰি *এটি* নিবন্ধ যুগুত কৰা। ১৫

*অথবা*

(খ) অসমীয়া সংস্কৃতি গঠনত আৰ্য্যীকৰণ (Sanskritization), গ্ৰহণ (acaulturation) আৰু সমাহৰণ (assimilation) প্ৰক্ৰিয়া কেনেদৰে সাধিত হৈছে বিচাৰ কৰা আৰু আধুনিক অসমীয়া সংস্কৃতিত সাংস্কৃতিক ৰূপান্তৰ (transculture) আৰু নি-আৰ্য্যীকৰণ (Desanskritization) ক'ত কেনেদৰে পৰিলক্ষিত হৈছে দেখুৱাবলৈ যত্ন কৰা। ১০+৫=১৫

৫। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৪×৫=২০

(ক) প্ৰাগজ্যোতিষ আৰু কামৰূপ নামৰ তাৎপৰ্য্য

(খ) ভাস্কৰ বৰ্মাৰ তাম্ৰলিপি আৰু মাটিৰ মোহৰ

(গ) দেবদাসী নৃত্য আৰু সত্ৰীয়া নাচ

(ঘ) কামাখ্যামন্দিৰ আৰু কৈৰাতজ ধৰ্ম

(ঙ) কলিতা জাতি আৰু কৈবৰ্ত সকল

(চ) ব'হাগবিহু আৰু বৈচাগু

(ছ) চৰ্য্যগীত আৰু জিকিৰ গীত।

---